**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ ৪০টা পৰামৰ্শ ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি ছিয়াচেন বেছ্ কেম্প পৰিদৰ্শন।

৩। উচ্চ ৰক্তচাপ, বহুমূত্ৰ আদিকে ধৰি বিভিন্ন ৰোগৰ ৫৩ বিধ ঔষধ নিৰাপদ নহয় বুলি কেন্দ্ৰীয় ঔষধ মান নিয়ামক সংস্থাৰ প্ৰকাশ।

৪। ৰাজ্য চৰকাৰৰ অধীনৰ কেইবাটাও বিভাগত আজি ২৮২টা পদত নিযুক্তি। ***আৰু***

৫। ২০ বছৰ অনুৰ্ধৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত মংগোলীয়াৰ বিৰুদ্ধে ভাৰতৰ ৪-১ গলত জয়।

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দিয়া পৰামৰ্শৱলী ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে আৰু তাৰে ৰাজ্য চৰকাৰৰ অধীনত থকা ৪০টা পৰামৰ্শ ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলৰ মাজত হোৱা আলোচনাত এই মন্তব্য কৰে। লগতে প্ৰতিবেদনখনৰ আন ১২টা পৰামৰ্শ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে ৰূপায়ণ কৰা হ'ব তথা বাকী থকা ১৫টা সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকিব বুলিও তেওঁ উল্লেখ কৰে। বৈঠকখনত মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, কেশৱ মহন্ত, অতুল বৰা, বিমল বৰা, পীযূষ হাজৰিকাৰ লগতে মুখ্য সচিব, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত ৩ জনীয়া প্ৰতিনিধি দল তথা সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ পাছতেই অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয় -

***-ভইচ কাষ্ট-***

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছিয়াচেন বেছ্ কেম্প পৰিদৰ্শন কৰিব। এই সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে তাত নিয়োজিত ভাৰতীয় সেনা বাহিনীৰ জোৱানসকলৰ সৈতে বাৰ্তালাপ কৰিব।

আনহাতে ৰাষ্ট্ৰপতিগৰাকীয়ে শণিবাৰে হায়দৰাবাদৰ সমীপৰ বলাৰুমত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ উদ্বোধন কৰিব। এই মহোৎসৱ অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমৰ চহকী আৰু বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি উৎসৰ্গা কৰা হৈছে।

ৰাষ্ট্ৰপতি নিলয়মত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰাষ্ট্ৰপতি ভৱনৰ বিষয়া স্বাতী চাহীয়ে কয় যে, ২৯ ছেপ্তেম্বৰৰ পৰা ৬ অক্টোবৰলৈ হ'বলগীয়া এই ভাৰতীয় কলা মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক সজীৱ ৰূপত তুলি ধৰা হ'ব। মহোৎসৱৰ এই বিশেষ সংস্কৰণটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সাংস্কৃতিক সমন্বয়ৰ বিশেষ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ ৰাষ্ট্ৰপতিৰ দৃষ্টিভংগীক আগুৱাই নিব বুলি তেওঁ মন্তব্য কৰে। উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক ব্ৰিগেডিয়াৰ আৰ. কে. সিঙে জনোৱা অনুসৰি এই মহোৎসৱত ৪০০ গৰাকী শিল্পী তথা শিপিনীয়ে অংশগ্ৰহণ কৰিব। মহোৎসৱত বিনামূলীয়া প্ৰৱেশৰ বাবে আগ্ৰহী আটাইকে ৰাষ্ট্ৰপতি নিলয়মৰ ৱেবছাইটত পঞ্জীয়ন কৰিবলৈ শ্ৰীচাহীয়ে অনুৰোধ জনাইছে।

০০০০০০

উচ্চ ৰক্তচাপ, বহুমূত্ৰ আদিকে ধৰি বিভিন্ন ৰোগৰ ৫৩ বিধ ঔষধ নিৰাপদ নহয় বুলি কেন্দ্ৰীয় ঔষধ মান নিয়ামক সংস্থাই প্ৰকাশ কৰিছে। চি.ডি.এছ.চি.অ' নামৰ ঔষধৰ নিয়ামক সংস্থাই এই কেইবিধ ঔষধ ব্যৱহাৰৰ অযোগ্য বুলি ঘোষণা কৰে। শৰীৰৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ হৈছে কেইবা প্ৰকাৰৰ পেৰাচিটামল, পেন-ডি, শ্বেলকেল, ভিটামিন-ডি কমপ্লেক্স, টেলমিচাৰটেন আদি। উল্লেখযোগ্য যে, ৰোগীৰ শৰীৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ দেশত বহুলভাৱে প্ৰচলন হৈ আছিল। বিশেষকৈ হিন্দুস্তান এণ্টিবায়টিক্স লিমিটেড, মেগা লাইফ ছায়েন্সেছ, কিঅ'ৰ হেলথ কেয়াৰ কোম্পানী আদিয়ে প্ৰস্তুত কৰা অধিকাংশ ঔষধে মান নিৰূপণ পৰীক্ষাত ব্যৰ্থ হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ পুনে ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে ২২ হাজাৰ ৬ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন ভালেমান প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি পুনেৰ জিলা আদালতৰ পৰা স্বৰগে'টলৈ চলিবলগীয়া মেট্ৰ' ৰে'লৰ যাত্ৰাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰিব।

দেশক ছুপাৰ কম্পিউটিং প্ৰযুক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলাৰ প্ৰতিশ্ৰুতি অনুসৰি প্ৰধানমন্ত্ৰীয়ে আজি ৰাষ্ট্ৰীয় ছুপাৰ কম্পিউটিং অভিযানৰ অধীনত থলুৱাভাৱে নিৰ্মিত প্ৰায় ১৩০ কোটি টকা ব্যয় সাপেক্ষ তিনিটা পৰম ৰুদ্ৰ ছুপাৰ কম্পিউটাৰ ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। এই ছুপাৰ কম্পিউটাৰ তিনিটা বৈজ্ঞানিক গৱেষণাৰ সুবিধাৰ বাবে পুনে, দিল্লী আৰু কলকাতাত ৰখা হৈছে।

ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত তেওঁৰ বাসগৃহত ৪৫ সংখ্যক ডবা অলিম্পিয়াডত চেম্পিয়নৰ খিতাপ অৰ্জন কৰা ভাৰতীয় দলৰ সদস্যসকলক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে খিতাপ অৰ্জন কৰা খেলুৱৈসকলৰ মাজত আয়োজিত এখন খেল উপভোগ কৰে। উল্লেখযোগ্য যে, হাংগেৰীৰ বুডাপেষ্টত শেহতীয়াকৈ অনুষ্ঠিত চলিত বৰ্ষৰ ডবা অলিম্পিয়াডৰ পুৰুষ আৰু মহিলা উভয় শাখাতে ভাৰতে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰৰ অধীনৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত ২০১ গৰাকী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগত ৮১ গৰাকী প্ৰাৰ্থীক আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ

প্ৰেক্ষাগৃহত বিয়লি অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভাগীয় মন্ত্ৰী অশোক সিংঘল আৰু জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকিব।

আজি নিযুক্তি লাভ কৰিবলগীয়াসকলৰ ভিতৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত বিত্তীয় ব্যৱস্থাপনা বিষয়া ১০১টা আৰু নগৰাঞ্চলৰ কাৰিকৰী বিষয়া ১০০টা তথা জনস্বাস্থ্য কাৰিকৰী বিভাগত সহকাৰী অভিযন্তাৰ ৮১টা পদ আছে। আজিৰ এই ২৮২টা নতুন নিযুক্তিৰ পাছতেই ৰাজ্য চৰকাৰৰ নিযুক্তি সমাৰোহৰ অধীনত চৰকাৰী চাকৰিত নিযুক্তিপ্ৰাপ্তৰ সংখ্যা ১ লাখ ২৪ হাজাৰ ৬২৭লৈ বৃদ্ধি পাব।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন  সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি, কৃষক, মধ্যবিত্ত শ্ৰেণী মহিলা আৰু যুৱক-যুৱতীৰ বিকাশত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰ বিভিন্ন আঁচনি মুকলি কৰিছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তদুপৰি চৰকাৰে একীকৃত পেন্সন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীৰ সুবিধাৰ্থে ৫০ শতাংশ পেন্সন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত সুৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে চৰকাৰে এটা ৰেংক, এটা পেন্সন আঁচনিৰো সংশোধন কৰিছে। ইপিনে, এই ১০০টা দিনৰ ভিতৰত ১৫ হাজাৰ যুৱক-যুৱতীক বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি দিয়া হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত বৃহত্তৰ হায়দৰাবাদ পৌৰ নিগমৰ এটা প্ৰতিনিধি দলৰ সৈতে মত বিনিময় কৰে। বহনক্ষম নগৰীয়া জীৱন-যাপন সন্দৰ্ভত অসম চৰকাৰৰ প্ৰচেষ্টাক অধ্যয়ন কৰিবলৈ প্ৰতিনিধি দলটো গুৱাহাটীলৈ অহাটো সুখৰ বতৰা বুলি তেওঁ সামাজিক মাধ্যমযোগে উল্লেখ কৰে।

০০০০০০

ৰাজ্যখনৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ইচ্ছুক যুৱক-যুৱতীসকলক জলপানি প্ৰদানৰ বাবে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৰাজ্যপালৰ **অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫**ৰ অধীনত আবেদন প্ৰ-পত্ৰ আহ্বান কৰা হৈছে। ইয়াৰ দ্বাৰা যোগ্য প্ৰাৰ্থীসকলক বিত্তীয় সাহায্য আৰু গুণগত প্ৰশিক্ষণ প্ৰদান কৰি তেঁওলোকক অসামৰিক বিষয়া হোৱাৰ বাবে যোগ্য কৰি তোলা হ'ব। প্ৰাৰ্থীসকলক gappy.assam.gov.in -ৰ জৰিয়তে ২৭ ছেপ্তেম্বৰ অৰ্থাৎ কাইলৈ বিয়লি ৫ বজাৰ পৰা অহা ৬ অক্টোবৰৰ বিয়লি ৫ বজাৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা আৰু তাৰ পাছত গ্ৰুপ কাউন্সেলিং তথা ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাছনি কৰা হ'ব। ২০ অক্টোবৰত লিখিত পৰীক্ষা, ২৭ অক্টোবৰ লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা আৰু পৰ্যায়ক্ৰমে গ্ৰুপ কাউন্সেলিং তথা সাক্ষাৎকাৰৰ অন্তত ১৮ নৱেম্বৰত চূড়ান্ত ফলাফলৰ ঘোষণা কৰা হ'ব। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলে pratibhaprotsahanyojana@gmail.com লৈ মেইল কৰিব পাৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে পৰহিলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ডেংগুৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ৰাজ্যৰ বিভিন্ন স্থানত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই অনুসৰি কৰিমগঞ্জ জিলাতো কালিৰে পৰা দুসপ্তাহ জোৰা বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। কালি জিলাখনৰ স্বাস্থ্য যুটীয়া সমন্বয়কৰ উপস্থিতিত সজাগতা সমদল উলিওৱা হয়। এই সমদলত কৰিমগঞ্জ জিলাৰ সকলো মেলেৰীয়া পৰিদৰ্শক তথা স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়ববীয়াকে ধৰি আশাকৰ্মীসকলে অংশগ্ৰহণ কৰে। স্বাস্থ্য যুটীয়া সমন্বয়কগৰাকীয়ে জানিবলৈ দিয়া মতে এই পদক্ষেপৰ লক্ষ্য হৈছে জনসাধাৰণক প্ৰতিৰোধমূলক ব্যৱস্থাৰ বিষয়ে জ্ঞান দিয়া আৰু মহৰ প্ৰজনন স্থান নিৰ্মূল কৰাত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰা।

০০০০০০

শিৱসাগৰৰ নৱনিযুক্ত জিলা আয়ুক্তগৰাকীয়ে কালি নাজিৰা ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰিদৰ্শন কালত আয়ুক্তগৰাকীয়ে সীমান্ত চকীসমূহত উপস্থিত হৈ সীমান্ত ৰক্ষাৰ কামত নিয়োজিত সেনা-জোৱানৰ লগত মত বিনিময় কৰি তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লয়। তদুপৰি সীমান্ত অঞ্চলৰ ৰাইজ সন্মুখীন হোৱা সমস্যাসমূহ দূৰ কৰাৰ বাবে অতি শীঘ্ৰে ব্যৱস্থা লোৱা হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। এই পৰিদৰ্শন কালত জিলা উন্নয়ন আয়ুক্ত, নাজিৰাৰ মহকুমাধিপতি, নাজিৰাৰ ভাৰপ্ৰাপ্ত চক্ৰ বিষয়া, ভাৰপ্ৰাপ্ত সীমান্ত দণ্ডাধীশ আৰু উচ্চ পদস্থ আৰক্ষী বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি পৰ্যন্ত অসম, মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন অঞ্চলত মুযলধাৰ বৰষুণৰ আগজাননী জাৰি কৰিছে। বিভাগে জাৰী কৰা আগলি বতৰা অনুসৰি নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিম মধ্যপ্ৰদেশ, গোৱা, মধ্য মহাৰাষ্ট্ৰ, ছিকিম আদি অঞ্চলত কাইলৈ পৰ্যন্ত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিভাগে অহা ৭ দিনৰ ভিতৰত কেৰালা, লাক্ষাদ্বীপ, কৰ্ণাটকৰ দক্ষিণ আভ্যন্তৰীন অঞ্চল, অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চল আৰু য়ানামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০০

অসম চুক্তি ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ সমিতিৰ পৰামৰ্শৱলীক লৈ আছুৰে ৰাজ্য চৰকাৰৰ বৈঠকৰ বাতৰিটো দৈনিক অসম, দা ছেণ্টিনেল, দি আছাম ট্ৰিবিউন আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৈ সুখবৰ এতিয়াৰে পৰা কৰ্মচাৰীসকলৰ মাজত পাৰস্পৰিক বুজাবুজিৰ মাধ্যমেৰে বদলিৰ ব্যৱস্থা কাৰ্যকৰীকৰণৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **পাৰস্পৰিক বুজাবুজিৰ মাধ্যমেৰে হ'ব কৰ্মচাৰীৰ বদলিৰ ব্যৱস্থা** শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ বনাছ হ্ৰাস পোৱাক লৈ উত্তাল পৰিৱেশে বিৰাজ কৰিছে ৰাজ্যৰ বিভিন্ন চাহ-বাগিচাত। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে পূজাৰ বনাছক লৈ উত্তাল চাহ-বাগিচা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **২০ শতাংশ বনাছৰ দাবীত বাগিচাই বাগিচাই উত্তপ্ত পৰিস্থিতি** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জম্মু-কাশ্মীৰৰ নিৰ্বাচন সন্দৰ্ভত **দ্বিতীয় পৰ্যায়ত জম্মু-কাশ্মীৰত ২৬ খন আসনৰ বাবে নিৰ্বাচন** শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আৰ টি আই কৰ্মী দুলাল বৰা দিল্লীত গ্ৰেপ্তাৰ হোৱাৰ বাতৰিটো অসমীয়া খবৰ কাকতে **বিতৰ্কিত আৰ টি আই কৰ্মী দুলাল বৰাক দিল্লীৰ হাস্পতালৰ পৰা গ্ৰেপ্তাৰ আৰক্ষী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কচুতলিত উচ্ছেদ অব্যাহত, ২৯ ছেপ্তেম্বৰত এ ডি আৰ ই স্নাতক পৰীক্ষা, ৰাজ্য চৰকাৰে প্ৰকাশ কৰিলে এছ অ' পি, জনতা ভৱনত বিজেপি নেতাৰ দুৰ্নীতি-প্ৰৱঞ্চনাক লৈ অস্বস্তিত চৰকাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

ভাৰতে কালি ২০ বছৰ অনুৰ্দ্ধৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত মংগোলীয়াক ৪-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে গ্ৰুপ-জিত ৩ পইণ্ট অৰ্জন কৰে। ভাৰতৰ হৈ কেলভিন সিং, কৰৌ সিং থিনগুজামে এটাকৈ আৰু মাংলেনথাং কিপগেনে দুটা গল দিয়ে। পৰৱৰ্তী খেলখনত ভাৰত কাইলৈ ইৰানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপৰ শীৰ্ষত থকা দলটোৱে চীনত অহা বছৰ হ'বলগীয়া চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতালৈ পোনপতীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

০০০০০০

সমাপ্ত